**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে ৰাজ্যখনত ৰে'ল সেৱা সম্প্ৰসাৰণৰ লগতে কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই ৰাজ্যৰ যাতায়ত ব্যৱস্থা অধিক সুশৃংখলিত কৰাৰ বাবে ৰে'ল সেৱাৰ বিভিন্ন দিশত নতুনত্বৰ পোষকতা কৰে। এই বৈঠকত অসমলৈ চলাচল কৰা তিনিখন নতুন অমৃত ভাৰত ৰে'লৰ যাত্ৰা সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুৰ মাইণ্ডফুলনেছ চিটীলৈ নতুন ৰে'ল পথ নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে কৰা সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। অসম মাজেৰে চলাচল কৰা গুৰুত্বপূৰ্ণ ৰে'লসমূহৰ ষ্টপেজৰ সংখ্যা বৃদ্ধি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে ৰে'ল মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ৰে'ল মন্ত্ৰীগৰাকীয়ে এই বিষযসমূহ বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে।

০০০০০০০

স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত কাইলৈ মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে কাইলৈ বিয়লি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতি আদিৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

০০০০০০

বৰাক উপত্যকাৰ তিনিখন জিলাৰ পৰা যোৱা ২৪ ফেব্ৰুৱাৰীত ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা শিল্পীসকলক আজি সম্বৰ্ধনা জনোৱা হয়। শিলচৰৰ বংগ ভৱনত এই উপলক্ষে আয়োজিত এটা কাৰ্যসূচীত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই হাইলাকান্দি, শ্ৰীভূমি আৰু কাছাৰ জিলাৰ মুঠ ৩৩১ গৰাকী শিল্পী, মূল প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যক প্ৰশংসা পত্ৰ আৰু মাননি প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী বৰাই কয়, যে ঝুমইৰ নৃত্য হৈছে চাহ জনগোষ্ঠীয় আৰু আদিবাসী সমাজৰ চহকী ঐতিহ্য তথা অসমৰ সম্পদ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত যোৱা ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ চাহ বাগিচাৰ ২০০ বছৰীয়া ঐতিহ্যক বিশ্ব দৰবাৰত পৰিচিত কৰিলে বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

বাইট

আজিৰ অনুষ্ঠানত বৰাক উপত্যকাৰ উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা সংমণ্ডল আজি পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কঁহৰা সংমণ্ডলৰ প্ৰৱেশদ্বাৰ মিহিমুখত আনুষ্ঠানিকভাৱে সংমণ্ডলটো মুকলি কৰে। এতিয়াৰে পৰা পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰি উদ্যানখনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰিব। আজি এই কাৰ্যসূচীত বন

মন্ত্ৰীৰ সৈতে মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি, বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলৰ কিছু অংশ পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। সম্প্ৰতি কঁহৰা বনাঞ্চলৰ মিহিমুখৰ পৰা দাফলাং হৈ বৰুণটিকালৈ পৰ্যটকে জীপ চাফাৰি কৰিব পাৰিব। বন মন্ত্ৰীগৰাকীয়ে আজি কঁহৰা বনাঞ্চল মুকলি কৰি এইবাৰ উদ্যানখনলৈ আৰু অধিক পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে।

ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু ডব্লিউ টি আৰ পিৰ উদ্যোগত আজি মিহিমুখত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই কাজিৰঙা ৰাইন' ৰাণ শীৰ্ষক মাৰাথন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এটা খৰ্গযুক্ত গঁড়ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই মাৰাথনত অসমৰ উপৰি মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু মণিপুৰৰ তিনি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত ২৯ অক্টোবৰৰ পৰা ৮ নৱেম্বৰলৈ চলি থকা ঐতিহ্য সংগ্ৰহালয় মহোৎসৱ সন্দৰ্ভত এটা অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

নৱী মুম্বাইৰ ড° ডি ৱাই পাটিল স্পোৰ্টছ একাডেমীত অনুষ্ঠিত আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈ ২ অ'ভাৰত ৭ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০

**সমাপ্ত**